# বাহৰেইন ৰাজতন্ত্ৰৰ বিদেশ বিষয়ৰ মন্ত্ৰীৰ চৰকাৰী ভাৰত ভ্ৰমণ (২২ ফেব্ৰুৱাৰী ২০১৫)

সন্মানীয় বিদেশমন্ত্ৰী আৰু প্ৰবাসী ভাৰতীয় বিষয়ক মন্ত্ৰী শ্ৰীমতী সুষমা স্বৰাজৰ আমন্ত্ৰন ক্ৰমে বাহৰেইন ৰাজতন্ত্ৰৰ বিদেশ বিষয়ৰ মন্ত্ৰী সন্মানীয় শেখ খালিদ বিন আহমেদ বিন মহম্মদ আল খালিফা ২২ ফেব্ৰুৱাৰী ২০১৫ তাৰিখে চৰকাৰী ভ্ৰমণ কাৰ্য্যসূচীৰে ভাৰত ভ্ৰমণলৈ আহিব ।তেওঁ সুষমা স্বৰাজৰ সৈতে ভাৰত–বাহৰেইন প্ৰথম থন উষ্চস্তৰীয় যৌথ কমিশন বৈঠকত যুটীয়া ভাৱে অধক্ষ্যতা কৰিব ।

ভাৰত আৰু বাহৰেইনৰ মাজত বৰ্তী থকা সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধৰ ভিত্তী হৈছে দুয়োখন দেশৰ জনসাধাৰনৰ সৈতে জনসাধাৰনৰ নিবীৰ সম্বন্ধ আৰু নিয়মিত ভাৱে দুয়োদেশৰ মাজত হোৱা উষ্চস্তৰীয় ৰাজনৈতিক ভ্ৰমণ বিনিময় । বাহৰেইন ৰাজতন্ত্ৰৰ মহামান্য সম্ৰাট হামাদ বিন ইছা আল খালিফা ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহৰ প্ৰথম বাৰ ৰাষ্ট্ৰীয় ভ্ৰমণত ভাৰতলৈ আহিছিল ।

উপসাগৰিয় অঞ্চলত বাহৰেইন ভাৰতৰ গুৰুত্বপূৰ্ণ বাণিজ্য অংশীদ্বাৰ । ২০১৩–১৪ চনৰ দ্বিপাক্ষীক বাণিজ্যৰ পৰিমাণ ১.৩ বিলিয়ন মাৰ্কিন ডলাৰ অতিক্ৰম কৰিছিল ।৪,০০,০০০ লক্ষ্যৰ অধিক কৰ্মৰত ভাৰতীয় বংশোদ্ভত সকলৰ বাহৰেইনৰ উন্নয়নৰ ক্ষেত্ৰত অৱদান আগবঢ়াইছে ।বাহৰেইনৰ প্ৰগতিত তেওঁলোকৰ ইতিবাচক অৱদান প্ৰশংসনিয় আৰু পৰস্পৰ দুয়োদেশৰ মাজৰ দ্বিপাক্ষীক সম্পৰ্কৰ এক মৌলিক ভিত্তি ।

আগুন্তুক ভ্ৰমণ কালত দুয়োপক্ষৰ মাজত দ্বিপাক্ষীক,আঞ্চলিক আৰু বিভিন্ন স্বাৰ্থ বিষয়ক বিষয় সমূহ আলোচনা কৰিব ।

নতুন দিল্লী

১৯ ফেব্ৰুৱাৰী ২০১৫